**Course 506**

# শিশুৰ অধিকাৰ আৰু ইয়াৰ ৰূপায়ণ কৰা

ব্লক - 4

গোট - 13

টোকা

## গোট - 13 ঃ শিশুৰ অধিকাৰ আৰু ইয়াৰ ৰূপায়ণ

# গাঁথনি


13.0 পাতনি

13.1 শিকনৰ উদ্দেশ্য

13.2 শিশুৰ অধিকাৰৰ বিষয়ে ধাৰণা

13.2.1 অধিকাৰ আৰু মানৱ অধিকাৰৰ অৰ্থ

13.2.2 শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ

13.2.3 শিশুৰ অধিকাৰৰ ওপৰত UNৰ উদ্যোগ

13.2.4 মুক্ত আৰু বাধ্যতামূলক, ২০০৯ আইনত শিশুৰ অধিকাৰ আৰু শিশুৰ মৌলিক অধিকাৰ সমূহ

13.3. শিশুৰ অধিকাৰসমূহৰ নিৰাপত্তা/সুৰক্ষা দিয়া

13.3.1 শিশুৰ অধিকাৰসমূহ

13.3.2 বিদ্যালয় প্ৰাংগণত শিশুৰ অধিকাৰ উলংঘন হোৱা

13.3.3 শিক্ষাৰ অধিকাৰসমূহৰ নিৰাপত্তা দিয়া কমিছন (আয়োগ) আৰু আইনী সুবিধাসমূহ

13.3.4 শিশুৰ অধিকাৰসমূহৰ সুৰক্ষা দিয়াত শিক্ষকৰ ভূমিকা

13.4. সামৰণি

13.5. অগ্ৰগতিৰ নিৰীক্ষণৰ বাবে উত্তৰমালা

4.6 পাঠন আৰু প্ৰসংগৰ বাবে পৰামৰ্শাৱলী

4.7 গোটৰ শেষ অনুশীলনী


## 4.1 পাতনি ঃ

আগৰ পাঠটিত আপোনালোকে সমাবেশী বিদ্যাৰ বিষয়ে অধ্যয়ন কৰিলো আৰু এইটো অনুধাৱন কৰিলে যে প্ৰত্যেক শিশুৱে অদ্বিতীয়। আপোনালোকে এইটোও বুজিলে যে শিক্ষণৰ বাবে এক উপযুক্ত পৰিৱেশৰ সৃষ্টি কৰাৰ প্ৰয়োজন। আন এটা সমানেই প্ৰাসংগিক কথা হ'ল- শিশুৰ সৰ্বাংগীন বিকাশ। এই উদ্দেশ্যত তেতিয়াহে ভালকৈ উপনীত হ'ব পাৰি যেতিয়া বিদ্যালয় আৰু সমাজ ঐক্যবদ্ধ হয়। ই সম্ভৱ হ'ব যেতিয়া এটি শিশুক তেওঁৰ শৈশৰ কালটো উপভোগ কৰিব দিয়া হ'ব। বৰ্তমান পৃথিৱীৰ বেছিভাগ অঞ্চলত এনে কাৰ্য হৈ উঠা নাই। সেয়ে সংযুক্ত ৰাষ্ট্ৰই দেশসমূহক তেওঁলোকৰ শিশুসকলৰ শৈশৰ কালটো উপভোগ কৰিবলৈ সন্মতি দিবলৈ কোৱাৰ প্ৰয়োজনবোধ কৰিলে। এই গোটটোত আমি শিশুৰ অধিকাৰ সমূহ বুজিবলৈ, শিশুৰ অধিকাৰ সমূহ খৰ্ব হোৱা আৰু তেওঁলোকৰ সুৰক্ষা দিয়া আৰু এই ন্যায্য



টোকা

অধিকাৰ সমূহ প্ৰত্যেক শিশুৰ বাবে নিশ্চিত কৰাত শিক্ষকৰ ভূমিকাৰ বিষয়ে অনুধাৱন কৰিবলৈ চেষ্টা কৰোঁ আহক।

## 13.1 শিকনৰ উদ্দেশ্য

এই পাঠটি পঢ়ি উঠি আপোনালোকে নিম্নোক্ত কথাখিনি বুজিবলৈ সামৰ্থ হ'ব -

1. অধিকাৰ, মানৱ অধিকাৰ আৰু শিশুৰ অধিকাৰৰ অৰ্থ বৰ্ণনা কৰা।
2. শিশুৰ বিভিন্ন আইনগত অধিকাৰৰ এখন তালিকা প্ৰস্তুত কৰা।
3. এখন বিদ্যালয়ে অনুশীলন কৰা কাৰ্যসমূহ, যিয়ে বিদ্যালয়ত শিশুৰ অধিকাৰ খৰ্ব কৰে তাৰ তালিকা কৰা
4. শিশুৰ অধিকাৰ সমূহৰ নিৰাপত্তাৰ বাবে হোৱা প্ৰয়োজনীয় কথাখিনি ব্যাখ্যা কৰা।
5. শিশুৰ অধিকাৰৰ বাবে থকা সুবিধাখিনি বৰ্ণনা কৰা।
6. শিশুৰ অধিকাৰৰ নিৰাপত্তা দিয়াত শিক্ষকৰ কি ভূমিকা আছে তাক ব্যাখ্যা কৰা।

## 13.2 শিশুৰ অধিকাৰৰ বিষয়ে ধাৰণা ঃ

আহক আমি শিশুৰ অধিকাৰৰ ধাৰণাৰ- বিষয়ে অৱগত হওঁ

### 13.2.1 অধিকাৰ আৰু মানৱ অধিকাৰৰ অৰ্থ ঃ

শিশুৰ অধিকাৰৰ বিষয়ে বুজিবলৈ আমি অধিকাৰ আৰু মানৱ অধিকাৰ কাক কয় জানো আহক।

ৰাধা আৰু ৰাফিয়া দুয়ো প্ৰতিবেশী/সিহঁত সপ্তম শ্ৰেণীত পঢ়ে। এদিন যেতিয়া আবেলি সিহঁত দুপৰীয়া আহাৰ খাই বিদ্যালয়লৈ যায়, সিহঁতৰ মাক দেউতাকে সিহঁতৰ লগত থাকি কলহ আৰু বাল্টি লৈ পঞ্চায়তৰ কাৰ্যালয়লৈ বুলি ওলাল। সিহঁতৰ মাক-দেউতাকে পঞ্চায়তৰ অফিচৰ সন্মুখত থাকি কলহ আৰু বাল্টিলৈ বহি পানী যোগানৰ বাবে চিঞৰি ধৰ্ণা দি থকা পুৰুষ আৰু মহিলাৰ জুমটোত গৈ লগ হয়গৈ। ৰাধা আৰু ৰাফিয়াই এই দৃশ্য দেখিলে কিন্তু সিহঁতৰ দেৰি হোৱাতস্কুললৈ বুলি দৌৰ দিলে। সিহঁতৰ শ্ৰেণীকোঠালৈ দেৰিকৈ অহাৰ বাবে শিক্ষকে দেৰি হোৱাৰ কাৰণ সোধে। তেওঁলোকে পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখত দেখা পৰিৱেশটোৰ কথা বৰ্ণনা কৰিছে। শিক্ষকে শিশুসকলক এই অভিজ্ঞতাৰ বিষয়ে শ্ৰেণীত নিম্নোক্ত প্ৰশ্নসমূহ আলোচনাৰ বাবে উপস্থাপন কৰে।

মানুহখিনিক থালি, কলহ আৰু বাল্টি কঢ়িয়াবলৈ কিহে বাধ্য কৰিলে?

তেওঁলোক কিয় পঞ্চায়ত অফিচৰ কাষ চাপিল?

পঞ্চায়তৰ কাৰ্যালয় সন্মুখত এইদৰে মানুহ গোট খাব পাৰেনে?

মই নিশ্চিত যে, আপোনালোকে এই প্ৰশ্নসমূহৰ উত্তৰ জানে। হয়, পঞ্চায়তৰ সন্মুখত শান্তিপূৰ্ণভাৱে সন্মিলিত হোৱাৰ অধিকাৰ মানুহখিনিৰ আছে। অধিকাৰ হৈছে কিছুমান নিৰ্দিষ্ট



টোকা



চৰ্ত যিবিলাক ন্যায় সংগত। এইসমূহ মানুহৰ প্ৰাপ্য। এই চৰ্তসমূহ মানুহৰ প্ৰয়োজনীয় সমল বুলি ধৰা হয়। অধিকাৰসমূহ হৈছে সেই স্বাধীনতাসমূহ, যিবোৰ নিজৰ আৰু লগতে সমাজৰো ভালৰ বাবে উপযোগী। আমি এতিয়া উপৰোক্ত ঘটনাটোৰ পৰা মানুহৰ বাবে থকা অধিকাৰ সমূহ চিনাক্তকৰণ কৰিব পাৰিমনে? আপোনালোকে যদি জানে তাৰ যিকোনো দুটা লিখিব পাৰিবনে?

1 .

.....................................................................................................................

2. .........................................................................................................

আপোনালোকে নিশ্চয় লিখিছে যে 'মানুহে পানীৰ যোগান ধৰিবলৈ আবেদন কৰিব পাৰে।' 'মানুহ শান্তিপূৰ্বকভাৱে এক গোট হ'ব পাৰে। লিখিছেনে? তেনেহলে আপোনালোক শুদ্ধ। আপোনালোকে এইদৰে পঢ়িছে যে ভাৰতবৰ্ষত সকলো নাগৰিকেই মৌলিক অধিকাৰ লাভ কৰাটো উচিত। যিবোৰ ভাৰতৰ সংবিধানে নিৰ্দ্ধাৰন কৰিছে। সেইসমূহ তলত উল্লেখ কৰা হৈছে -

- সমতাৰ অধিকাৰ
- স্বতন্ত্ৰতাৰ অধিকাৰ,
- শোষণৰ বিৰুদ্ধে অধিকাৰ,
- কোনো ধৰ্মক আপোন কৰি লোৱাত থকা স্বাধীনতাৰ অধিকাৰ,
- সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ,
- সাংবিধানিক সংশোধনৰ অধিকাৰ,

তলৰ ছবিসমূহ লক্ষ্য কৰক। মানুহে উপভোগ কৰা অধিকাৰ সমূহৰ নাম লিখক।



**(নৃত্যৰ ছবি)**

**সোঁফালৰ পৰা** .................



**(প্ৰাৰ্থনাগৃহৰ ছবি)**

**সোঁফালৰ পৰা** .................



**(শিশু শ্ৰমিকৰ ছবি)**

**সোঁফালৰ পৰা** .................

উপৰোক্ত সকলো অধিকাৰ মানৱ অধিকাৰ। এইবোৰ এখন সমাজত মানুহ হিচাপে অৰ্থপূৰ্ণ/উন্নত জীৱন যাপন কৰিবলৈ প্ৰত্যেকজন ব্যক্তিৰ বাবে অত্যন্ত প্ৰয়োজনীয়। সেয়ে আমি এই সমূহক মানৱ অধিকাৰ বোলো। পৃথিৱীৰ সকলো মানুহে এই অধিকাৰ সমূহৰ দাবীদাৰ। যিকি নহওক পৃথিৱীৰ সকলো মানুহৰ ক্ষেত্ৰত মানুহৰ এই চৰ্তসমূহ একে নহয়। মানুহে এনে অধিকাৰ প্ৰাপ্তিৰ পৰা বঞ্চিত হয়। মানুহে তেওঁলোকৰ অধিকাৰ সমূহ যাতে



টোকা

উপভোগ কৰিব পাৰে তাৰ বাবে 1948 চনৰ 10 ডিচেম্বৰ তাৰিখে সাৰ্বজনীনভাৱে মানৱ অধিকাৰসমূহ নিৰ্দ্ধাৰণ আৰু ঘোষণা কৰি সুনিশ্চিত কৰিছে। UDHRত মানৱ অধিকাৰসমূহৰ তালিকাখন সন্নিবিষ্ট হৈছে যিখন সৰ্বসাধাৰণ মানুহৰ হ'ব। সকলো দেশৰ সাফল্যতাৰ সাধাৰণ পদ্ধতিসমূহ প্ৰদানৰ বাবে ইয়াৰ সদস্য দেশসমূহক তেওঁলোকৰ মানুহৰ মাজত প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। সমগ্ৰ বিশ্বতে এই ঘোষণাটোৰ ঐতিহাসিক মহত্বৰ অনুমোদন কৰি প্ৰতি বছৰে ডিচেম্বৰ মাহৰ প্ৰত্যেক 10 তাৰিখে বিশ্ব মানৱ অধিকাৰ দিৱস পালন কৰোঁ।

আমাৰ দেশখন সেয়ে UDHR ৰ প্ৰতি দায়বদ্ধ আৰু ইয়াত স্বাক্ষৰ কৰা দেশসমূহৰ নাগৰিকে এই অধিকাৰ সমূহ লাভ কৰাতো সুনিশ্চিত কৰাটো চৰকাৰখনৰ কৰ্তব্য। ইয়াৰ উপৰি, এই অধিকাৰসমূহ উল্লেখ কৰাৰ বিভিন্ন স্থানৰ উদাহৰণো আছে। আপোনালোকে এই উলংঘনকাৰী কোন বুলি ভাৱে? এওঁলোক কোনো মানুহ, সংগঠন বা চৰকাৰ খন নিজেও হ'ব পাৰে। যদি এয়াই হয়, তেন্তে এই অধিকাৰ সমূহক কোনে ৰক্ষণাবেক্ষণ দিব? যদি সেয়াই হয় অধিকাৰ কোনে ৰক্ষা কৰিব? ভাৰতবৰ্ষ যুক্তৰাষ্ট্ৰ হিচাপে কেন্দ্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ সুৰক্ষা আয়োগ আৰু ৰাজ্যৰ ৰাজ্যিক মানৱ অধিকাৰ সুৰক্ষা আয়োগ আছে। জিলা পৰ্যায়তো মানৱ অধিকাৰ সুৰক্ষাৰ বাবে কাৰ্যালয় আছে। এই এজেন্সিসমূহে নিজৰ ফালৰ পৰা বা অভিযোগ দাখিলৰ জৰিয়তে অধিকাৰ উলংঘনৰ কিছুমান ঘটনা পাই আহিছে। যিকোনো ঘটনা এটাৰ তথ্য সংগ্ৰহ কৰি এইটো কেনেকৈ সুৰক্ষা দিব পাৰি উলিয়াই চাওঁচোন।

**নিজক পৰীক্ষা কৰক - 1**

1. তলত কিছুমান ... দিয়া হৈছে। যিবোৰ অধিকাৰৰ আছে চিন দিয়ক।

— তেওঁলোকক মানুহে নিজৰ কৰি লয়।

— তেওঁলোকে মানুহক এটা আধ্যবন্ত জীৱন কটাবলৈ তৈয়াৰ কৰে।

— তেওঁলোকে মানুহে বিচৰা মতে জীয়াই থাকিবলৈ সহায় কৰে।

— মানুহে অধিকাৰ সুৰক্ষাৰ বাবে দাবী কৰিব পাৰে।

2. খালী ঠাই পূৰ্ণ কৰক

(ক) সকলো... বাবে অধিকাৰ দিয়া হৈছে

(খ) পূৰ্ণ ৰূপ হৈছে ......................................

(গ) এটা .................. জীৱন কটাবলৈ মানৱ অধিকাৰৰ প্ৰয়োজন

(ঘ) প্ৰতি বছৰে ............. তাৰিখে মানৱ অধিকাৰৰ দিন পালন কৰা হয়।

(ঙ) ৰাজ্যিক পৰ্যায়ত মানৱ অধিকাৰ সুৰক্ষা এজেন্সিৰ নাম হ'ল .............

## 13.2.2 শিশুৰ অধিকাৰ

আগৰ উপ অনুচ্ছেদত আপুনি মানৱ অধিকাৰৰ বিষয়ে অধ্যয়ন কৰিলে। এই অংশত শিশুৰ বিষয়ে জানো আহক— শিশুৰ অধিকাৰ কোনবোৰ আৰু শিশুৰ অধিকাৰৰ

টোকা

প্ৰয়োজনীয়তা।

শিশুনো কোন, এটা ঘটনাৰ জৰিয়তে বুজি চাও আহক। মাক, দেউতা আৰু জন আৰু জেনীক লৈ এটি পৰিয়াল। জনৰ বয়স 19 আৰু জেনীৰ বয়স 12 বছৰ। এদিন সন্ধিয়া থিয়েটাৰ চলি থকা এখন হৰৰ চিনেমা চাবলৈ দুই সন্তানে মাক-দেউতাকক কৈ কৈ বিৰক্ত কৰিলে। মাকে জানে যে হৰৰ চিনেমা ল'ৰা-ছোৱালী চোৱা উচিত নহয়। জেনীৰ বয়স যিহেতু মাত্ৰ 12 বছৰ। মাকে তাইক ক'লে হৰৰ চিনেমাৰ সলনি শিশুৰ চিনেমা চাই ভাল পাবা। তাত বহুত আনন্দ লগা ঘটনা আছে। জন আৰু জেনী মান্তি হ'ল। চাৰিওজন 'বেবিজ ডে আউট' হ'ললৈ চিনেমা চাবলৈ গ'ল। ওপৰৰ ঘটনাটো এতিয়া বিশ্লেষণ কৰোঁ আহক।

মাকে কিয় জেনীক হৰৰ চিনেমা নাচাবলৈ ক'লে?

আপুনি বোধহয় প্ৰশ্নৰ উত্তৰটো বুজি পাইছে। ল'ৰা-ছোৱালীয়ে হৰৰ চিনেমা চোৱাটো উচিত নহয়, ই ভয় লগা আৰু তেওঁলোকৰ মনত ক্ৰিয়া কৰিব পাৰে। ল'ৰা-ছোৱালীবোৰ ভৱিষ্যতৰ দৰকাৰী মানৱ সম্পদ, তেওঁলোকক বিশেষ সুৰক্ষা দিব লাগে। শিক্ষাৰ মাধ্যমৰে পৃথিৱীৰ পৰিস্থিতি শিশুসকলৰ বাবে উন্নত কৰাৰো প্ৰয়োজন। বিভিন্ন কাৰণৰ বাবে পৃথিৱীৰ বহুতো অঞ্চল শিশুৰ বাবে এতিয়াও জটিল, সেয়েহে শিশুৰ বিকাশৰ বাবে এইবোৰৰ উন্নতি অনুভৱ কৰা হৈছে। এইটো চাবলৈ হ'লে এটা উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব লাগিব য'ত শিশুসকল শিশু হিচাপে ডাঙৰ-দীঘল হ'ব পাৰে। তলত দিয়া ছবি কেইখনলৈ চাওক। তেওঁলোকে আনন্দ পোৱাত বৰঙণি জগোৱা নাইনে? প্ৰতিটো শিশুৰে এনেকুৱা সুবিধা পোৱাৰ অধিকাৰ আছে। অধিকাৰবোৰ চিনাক্ত কৰক আৰু ছবি তলত থকা নিৰ্দিষ্ট স্থানত সেইবোৰ লিখক।



**শিশুসকলে খেলি আছে**

**সোঁফালৰ পৰা .................**



**বিদ্যালয়লৈ গৈ আছে**

**সোঁফালৰ পৰা .................**





**শিশুসকলে পুষ্টিকৰ আহাৰ খাই আছে**

**সোঁফালৰ পৰা .................**

ওপৰৰ ছবিৰ পৰা আপুনি নিশ্চয় খেলা, শিক্ষা আৰু আহাৰৰ কথা লিখিছে। আপুনি শুদ্ধ। কিন্তু শিশুৰ অধিকাৰ এইখিনিতে নিহিত নাথাকে। আৰু আন বহুতো অধিকাৰ আছে। তলত কিছুমান দিয়া হ'ল।

- ভাল স্বাস্থ্য সেৱাৰ সুবিধা পোৱা
- প্ৰকাশৰ অধিকাৰ
- শিশুৰ মত নথকাকৈ পিতৃ-মাতৃৰ পৰা পৃথক নকৰা



টোকা

- পিতৃ-মাতৃৰ যত্ন
- এটা নাম পোৱা
- মাতৃভাষাত বুনিয়াদী শিক্ষা
- জীয়াই থকাৰ অধিকাৰ
- সকলো ধৰণৰ শোষণৰ পৰা সুৰক্ষা
- শাৰীৰিক শাস্তিৰ পৰা সুৰক্ষা
- যন্ত্ৰণা, আন হিংসুক অমানৱীয় বা নিচ ধৰণে ব্যৱহাৰ বা শাস্তি দিব নোৱাৰিব।
- অৱসৰ, জিৰণি আৰু খেলৰ অধিকাৰ
- মাদক দ্ৰব্যৰ অবৈধ ব্যৱহাৰ আৰু চাইৰোট্ৰপিক দ্ৰব্যৰ পৰা সুৰক্ষা আৰু শিশুৰ দ্বাৰা অবৈধ উৎপাদন আৰু সেই দ্ৰব্যসমূহৰ অবৈধ লেনদেনৰ পৰা সুৰক্ষা।

সকলো ব্যক্তি, বিদ্যালয়, অনুষ্ঠান আৰু চৰকাৰৰ ওপৰত উল্লেখিত শিশুক অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

**নিজক পৰীক্ষা কৰক- 2**

1. তলৰ বাক্যবোৰ সঁচা নে মিছা লিখা। বাক্যৰ বিপৰীত ফালে সঁচাৰ বাবে ‘স’ আৰু মিছাৰ বাবে ‘ম’ বন্ধনীত লিখক।

(ক) শিশুৰ বয়সৰ উৰ্ধসীমা হ’ল ১৮

(খ) শিশুৱে আনক বেয়াকৈ কোৱাৰ অধিকাৰ আছে।

(গ) শিশুৰ অধিকাৰক সদায় সন্মান জনোৱা উচিত।

(ঘ) পৃথিৱীৰ বহু অঞ্চলত শিশু সুৰক্ষিত নহয়।

(ঙ) শিশুৰ সুবিধাৰ কাৰণে কাম কৰিবলৈ চৰকাৰ বাধ্য।

2. তলৰ কোনবোৰ শিশুৰ অধিকাৰ? চিন দিয়ক

(ক) কিছু জিৰণিৰ সময় পোৱা

(খ) এটা পৰিয়ালত বাস কৰা

(গ) যিকোনো কাম কৰা

(ঘ) শোষণৰ পৰা সুৰক্ষা

(ঙ) শিক্ষা লাভ

## 13.2.3 শিশুৰ অধিকাৰৰ বাবে UNৰ উদ্যোগ

আন্তৰ্জাতিক সংস্থা হিচাবে **UN**ৰ আৰম্ভণিৰ পৰা শিশুৰ অধিকাৰৰ ক্ষেত্ৰত বহুতো পদক্ষেপ লৈ আহিছে। বহুতো পদক্ষেপত শিশুৰ বিশেষ যত্নৰ প্ৰয়োজন কথা কোৱা হৈছে। 1948 চনৰ মানৱ অধিকাৰৰ বিশ্বজনিত ঘোষণাত শিশুৰ অধিকাৰক স্বীকৃতি দিয়া হৈছে। 1959 চনৰ শিশুৰ অধিকাৰৰ ঘোষণাক সাধাৰণ পৰিষদত গৃহীত কৰা হয়। 1966 সাধাৰণ পৰিষদত নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক গুৰুত্বপূৰ্ণ চুক্তি হয়



টোকা

আৰু শিশুৰ অধিকাৰক সমৰ্থন দিয়ে। এই সকলোবোৰৰ ভিতৰত 1949 চনৰ অধিকাৰ চুক্তি গৃহীত হোৱাটো এটা শক্তিশালী উদ্যোগ।

সন্মিলনখনে স্পষ্টকৈ নিৰ্দিষ্ট কৰি দিছে যে এজন শিশু কোন, শিশুৰ অধিকাৰ সমূহ কি কি? আৰু এজন শিশুক তাৰ-তাইৰ অধিকাৰ উপভোগ কৰিবলৈ কিদৰে এক উপযোগী পৰিৱেশ সৃষ্টি কৰিব লাগিব। আন ধৰণে ক'ব গ'লে কোনো পধ্যেই শিশুৰ অধিকাৰ উলংঘন হ'ব নোৱাৰে। সকলো দেশ যিসকলে সন্মিলনত চহী কৰিছে, তেওঁলোকৰ এই অধিকাৰ সমূহ যাতে অবহেলিত নহয়, সেইটো নিশ্চিত কৰাৰ বাবে দায়িত্ব আছে। ভাৰতে সেই সন্মিলনখনত চহী কৰিলে আৰু ভাৰতত থকা শিশুসকলক এই অধিকাৰসমূহ প্ৰদান কৰিবলৈ সকলো প্ৰচেষ্টা কৰিছে।

UN ৰ কিছুমান বিশেষভাৱে গঠন কৰা এজেঞ্চি আছে, যিসমূহ শিশুসকলৰ উন্নতি সাধনৰ বাবে জড়িত। UNESCO, UNICEF, WHO আৰু ILO ৰ দৰে সংগঠনসমূহৰ নীতি আৰু কাৰ্যসূচী সমূহে পৃথিৱীৰ শিশু সকলৰ ভালৰ বাবে বদ্ধপৰিকৰ। এই লক্ষ্য পৰোক্ষভাৱে শিশুসকলৰ অধিকাৰসমূহৰ প্ৰতি দায়বদ্ধ হয়। আপোনালোকে হয়তোতেওঁলোকে শিশুৰ অধিকাৰৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাসমূহ জানিবলৈ ইচ্ছুক। সেই সমূহ জানিবলৈ চেষ্টা কৰকচোন ঃ-

**নিজক পৰীক্ষা কৰক ঃ (3)**

**খালী ঠাই পূৰণ কৰক ঃ**

(1) শিশুৰ অধিকাৰৰ ওপৰত হোৱা সন্মিলনখন........... তাৰিখে কমিছনৰ দ্বাৰা গৃহীত হৈছিল।

(2) .......... চনৰ পৰা শিশুৰ অধিকাৰৰ ওপৰত সন্মিলনখন কাৰ্যকৰী হৈছিল।

(3) CRCৰ সূচীপত্ৰত এজন শিশু কোন, ........... আৰু শিশুৰ অধিকাৰ সাব্যস্ত কৰিবলৈ এক উপযোগী পৰিৱেশ কিদৰে সৃষ্টি কৰিব পাৰি, এই কেইটা বিষয় সন্নিৱিষ্ট আছে।

(4) শিশুৰ উন্নতি /বিকাশৰ সৈতে জড়িত UN এজেঞ্চি সমূহৰ দুটা হৈছে.......... আৰু ...........।

## 13.2.4 শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, 2009 আৰু শিশুৰ অধিকাৰ ঃ

আগৰ গোটটোত আপোনালোকে শিশুৰ অধিকাৰৰ ওপৰত UN এ লোৱা আগভাগৰ বিষয়ে অধ্যয়ন কৰিলে। আপোনালোকে যিহেতু জানে, শিশুসকলৰ এটি অধিকাৰ হৈছে শিক্ষাৰ অধিকাৰ। যি কি নহওক, আমাৰ দেশত বিদ্যালয়লৈ যাব লগা বয়সৰ বহুতো শিশু বিদ্যালয়লৈ নাযায়। বিনামূলীয়া শিক্ষা দিয়াৰ স্বত্বেও প্ৰাথমিক স্তৰত কিয় বিদ্যালয়লৈ নোযোৱাকৈ থাকে, ইয়াৰ কাৰণবোৰ ভাবক। আপোনালোকৰ অঞ্চলত এনে শিশু আছে নেকি যি বিদ্যালয়লৈ নোযোৱাকৈ আছে। ইয়াৰ কাৰণ কি হ'ব পাৰে? তলত এখন তালিকা

প্ৰস্তুত কৰক ঃ

.......................................................................................................

.......................................................................................................

.......................................................................................................

এটা কাৰণ হ'ব পাৰে যে স্থানীয় সমাজখনে বা পিতৃ-মাতৃয়ে হয়তো শিক্ষাত গুৰুত্ব দিয়া নাই। 1949 চনত যেতিয়া আমাৰ সংবিধানখন সৃষ্টি হৈছিল, সংবিধানৰ ধাৰা 45ত বিগত দহ বছৰে এখন ৰাজ্যই শিশুসকলৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধাৰ কথা অন্তভূৰ্ক্ত কৰাটো প্ৰয়োজনীয় আছিল। কিন্তু আজি পৰ্যন্ত এইটো হৈ উঠা নাই।

শিক্ষা হৈছে এখন দেশৰ মৌলিক প্ৰয়োজন। আমাৰ দৰে এখন গণতান্ত্ৰিক দেশৰ বাবে এইটো বেছিকৈ প্ৰয়োজন। যদি মানুহে শিক্ষাৰ অধিকাৰৰ কথা অস্বীকাৰ কৰিলেহেঁতেন, তেন্তে গণতন্ত্ৰক একেবাৰে পক্ষাঘাত কৰা হ'লহেঁতেন। এই ক্ষেত্ৰত প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰিবলৈ বিভিন্ন পদ্ধতি হাতত লোৱা হৈছে। এই দিশত এটা গুৰুত্বপূৰ্ণ পদ্ধতিটো হৈছে 2009 চনত আৰম্ভ হোৱা 'শিশুসকলৰ উদ্দেশ্যে প্ৰস্তুত কৰা বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ আইন' (RTE, আইন 2010)। এই আইন খন 2010 চনৰ 1 এপ্ৰিলৰ পৰা বলবৎ হৈছে। সেই দিনটোৰ পৰা প্ৰাথমিক শিক্ষা এটা মৌলিক অধিকাৰ হ'ল।

RTE আইন খনত ৰাজ্যখনে 6 বছৰৰ পৰা 14 বছৰলৈকে সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰা আৰু সাংবিধানিক মূল্য জৰিত থকাকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰাটো জৰুৰী বিবেচিত হৈছে। বিদ্যালয়সমূহৰ নিৰ্দিষ্ট মান তৈয়াৰ কৰি আৰু গুণবান শিক্ষক যোগান ধৰি গুণগত শিক্ষা দিয়াটোৱেই আইন খনৰ লক্ষ্য। এই আইনখনে সামাজিক সংস্কাৰ আৰু শিশুৰ নিৰপত্তা প্ৰদান কৰাৰ প্ৰচেষ্টা কৰে। এই আইনখনে পৰীক্ষাৰ উৎপীড়ন বা শংকা দূৰ কৰে আৰু এখন সভ্য সমাজৰ বাবে কানুনী/সাংবিধানিক নীতি নিয়ম প্ৰদান কৰে। আইনখনে চৰকাৰৰ স্থানীয় সংস্থাবোৰ, বিদ্যালয়ৰ শিশুসকলৰ অভিভাৱক আৰু সমাজখনৰ দায়িত্ব সমূহ স্পষ্টভাৱে উল্লেখ কৰিছে।

উক্ত আইনখনৰ সুবিধাসমূহৰ বিস্তৃত অধ্যয়নে একোজন মানুহক এইটো অনুধাবন কৰিব দিয়ে যে RTE আইন আৰু শিশুৰ অধিকাৰ সমূহৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক আছে। RTE আইনখনে সকলোৰে মাজত ক্ষমতা, প্ৰয়োজন মতে বিশেষ প্ৰশিক্ষণ দিয়া, শিক্ষাৰ্থী কেন্দ্ৰিক শিক্ষা, ব্যাক্তিগত শিক্ষাৰ যোজনা, শাৰীৰিক আৰু মানসিক শাস্তি পৰিত্যাগ কৰা, মুক্ত মনেৰে প্ৰকাশ কৰাৰ অধিকাৰ আৰু অন্যান্য বিষয়ত সুবিধা প্ৰদান কৰিছে। এই সকলোখিনি শিশুটিৰ শিক্ষাৰ অধিকাৰৰ লগত জড়িত। সকলো ভাৰতীয়ৰ এইটো চোৱাটো দায়িত্ব যাতে বিদ্যালয়লৈ যোৱাৰ বয়সৰ শিশু বিদ্যালয়তে থাকি উচ্চমানৰ গুণবিশিষ্ট শিক্ষা (শাৰীৰিক আৰু মানসিক অত্যাচাৰ নোপোৱাকৈ) লাভ কৰে আৰু বিনামূলীয়া আৰু বাধ্যতামূলকভাৱে প্ৰাথমিক শিক্ষা শেষ কৰে।

টোকা

**নিজকে পৰীক্ষা কৰক - (4)**

[1) খালী ঠাই পূৰ কৰক ঃ

(a) RTE আইনখন..........ৰ পৰা............ বলবৎ হয়।

(b) RTE আইনখনে সকলো শিশুক.......... আৰু .......... শিক্ষা প্ৰদান কৰে।

(c) RTE আইনখনৰ মতে...........ৰ পৰা ...........বয়সলৈ শিশুসকলক সাঙুৰি লোৱা হৈছে।

(d) RTE আইনখনে.............. কেন্দ্ৰিক শিক্ষাত জোৰ দিছে।

## 13.3 শিশুৰ অধিকাৰ সমূহৰ নিৰাপত্তা / সুৰক্ষা দিয়া ঃ

### 13.3.1 শিশুৰ অধিকাৰ উলংঘন

শিশুৰ অধিকাৰসমূহৰ নিমিত্তে যদিও সন্মিলনে নীতিসমূহ নিৰ্ধাৰণ কৰিছিল, তথাপি এই অধিকাৰসমূহ সঁচা অৰ্থত অনুশীলন কৰা হোৱা নাই। এই পৃথিৱীখনত এতিয়াও বহু কোটি শিশু আছে, যিয়ে নেকি মানুহ হিচাপে জীয়াই থকাৰ মৌলিক সুবিধা খিনিৰ পৰাও বঞ্চিত। তেওঁলোকক কঠোৰ পৰিশ্ৰম কৰোওৱা হয় আৰু শৈশৱ কালটো উপভোগ কৰিবলৈ খুব কমেই দিয়া হয়। তলৰ ছবিসমূহ চাওক।







(Pictures by Google Search)

আমি সকলোৱে জানোঁ যে আমাৰ দেশত এনেকুৱা কোটিৰ সংখ্যাত শিশু আছে যাক বিদ্যালয়লৈ পঠিওৱাৰ পৰিৱৰ্তে কাম কৰোওৱা হয় আৰু শিশু শ্ৰমিক হিচাপে জড়িত কৰা হয়।

সাধাৰণভাৱে ক'বলৈ গ'লে শিশু শ্ৰম হৈছে শিশুসকলৰ দ্বাৰা কোনো কাম কৰোৱা, যিয়ে সিহঁতৰ অনিষ্ট সাধন কৰে বা শাৰীৰিক, মানসিক, চাৰিত্ৰিকভাৱে বা শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত কৰি তেওঁলোকক শোষণ কৰে।



টোকা

যি নহওক, শিশু শ্ৰমৰ কোনো সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য সংজ্ঞা নাই। আন্তৰ্জাতিক সংগঠন, বেচৰকাৰী সংস্থান (NGO), ট্ৰেড ইউনিয়ন আৰু অন্য মনোগ্ৰাহী গোট সমূহে এই শব্দটোৰ ভিন ভিন সংজ্ঞা ব্যৱহাৰ কৰে।

2000 চনত আন্তৰ্জাতিক শ্ৰম সংস্থান (ILO) এ অনুমান কৰিছিল যে, 5 বছৰৰ পৰা 17 বছৰলৈকে 246 কৌটি শিশু শ্ৰমিক আছে, ইয়াৰ ভিতৰত 171কৌটি শিশুক এনে কামত জড়িত কৰাইছিল যিবোৰ সিহঁতৰ শাৰীৰিক - মানসিক স্বাস্থ্য আৰু নৈতিক উন্নতিৰ দিশত বিপদজনক আছিল। তদুপৰি তাৰ 8.4 কৌটি শিশুক তথাকথিত অসুবিধাজনকভাৱে জৰিত কৰা হৈছে (unconditional) যাক শিশু শ্ৰমৰ নিকৃষ্ট ৰূপ বুলিব পাৰি, যত আছে বলপূৰ্বক আৰু বান্ধোনত ৰাখি কৰা শ্ৰম, শিশু সৰবৰাহ, শিশুসকলক সংঘৰ্ষত ব্যৱহাৰ কৰা আৰু যৌন শোষণত লিপ্ত কৰা হয়।

এইটো ভাবিব যে 'আজিৰ শিশু দেশৰ ভৱিষ্যতৰ নাগৰিক হ'বলৈ গৈ আছে। বৰ্তমান আৰু 2020 চনৰ মাজত, নতুন কৰ্মী, নাগৰিক আৰু নতুন উপভোক্তাসকলৰ গৰিষ্ঠ সংখ্যকেই পৃথিৱীখনৰ অৰ্থনীতি আৰু সমাজখন গঠন কৰিব, গঢ় দিব। নিজৰ স্বাস্থ্য নষ্ট কৰি বা শিক্ষাত ব্যাঘাত জন্মাই কিমান জনে জীৱনৰ কোমল বয়সত কঠোৰ শ্ৰমদান কৰিব লগা হ'ল? আমাৰ শিশুসকলৰ শিক্ষা, স্বাস্থ্য সৰ্বোত প্ৰকাৰৰ উন্নয়ন যদি বিপদজনক হয়, তেন্তে আমাৰ দেশখনৰ এটা সবল ভৱিষ্যত গঢ় দিবলৈ আমি সক্ষম হমনে?

শিশুসকলে সিহঁতৰ বাবে অনুপযুক্ত বয়সতে কিয় শ্ৰম দান কৰিব লগা হয়, তাৰ এটা অন্যতম মুখ্য কাৰণ হৈছে 'দৰিদ্ৰতা'।

কিন্তু ইয়াৰ লগতে আৰু অন্যান্য কাৰণো আছে। যেনে পৰিয়ালটোৰ আশা আকাংক্ষা আৰু পৰম্পৰা, শিশুৰ শোষণ, উন্নত মানৰ পঢ়াশালি আৰু দিনৰ ভাগত থকা বাল গৃহৰ অভাৱ, অন্য কিছুমান সেৱাৰ অভাৱ যেনে স্বাস্থ্যৰ যত্ন, নিয়োগকৰ্তা সকলৰ প্ৰতিপাল কৰাত অমনোযোগিতা, চাকৰিয়াল অভিভাৱক ইত্যাদি।

আপোনাৰ ৰাজ্যত শিশু শ্ৰমৰ প্ৰচলন হৈছে নেকি? যদি হৈছে তেন্তে যিকোনো 4 টা কাৰণ লিখক ।

1. ................................................................................................
2. ................................................................................................
3. ................................................................................................
4. ................................................................................................

বৰ্তমানে ৰাজ্যিক পৰ্যায়ৰ উপৰি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো শিশু শ্ৰম বৰ্জন/পৰিহাৰ কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে। এতিয়া সকলো শিশুৰ বাবে শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰা হৈছে আৰু 2009 চনত এখন আইনো প্ৰণয়ন হৈছে। এনে বহুতো NGO আছে যিয়ে নেকি শিশু আৰু পৰিয়ালসমূহৰ জীৱনত উদ্ভৱ হোৱা সংকট, যেনে- বেমাৰ- আজাৰ বা গৃহ, ভূমি, বাসস্থান হেৰুৱাৰ সময়ত সহায় কৰি সামাজিক সেৱা আগবঢ়াই।



টোকা

ILO ৰ শিশু শ্ৰম আতৰ-পৰিহাৰ কৰোৱা আন্তঃ ৰাষ্ট্ৰীয় কাৰ্যসূচীয়ে (IPEC) শিশু শ্ৰমিক সকলক সহায় কৰিবলৈ নানা কাৰ্যসূচী নিৰ্ধাৰণ কৰিছে। IPEC ৰ তথ্যসমূহ বিশেষ জানিবলৈ www.ilo.org.site চাওক আৰু এই বিশেষ কাৰ্যসূচীসমূহ বিচাৰি উলিয়াওক। তাৰ পৰা যিকোনো 2 টা লিখক।

1. ..........................................................................................

2. ..........................................................................................

আনকি 1989 চনৰ শিশু অধিকাৰৰ ওপৰত অনুষ্ঠিত সন্মিলনখনত তেওঁলোকৰ জীৱনত প্ৰভাৱ পেলাব পৰাকৈ লোৱা গুৰুত্বপূৰ্ণ সিদ্ধান্তত অংশগ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ কৰা হৈছিল। ভাৰত চৰকাৰে 1979 চনত শিশুশ্ৰমৰ সমস্যাটো অধ্যয়ন কৰিবলৈ আৰু এই সমূহ নিয়ন্ত্ৰণ কৰিবৰ বাবে কিছুমান ৰণ কৌশলৰ গঠনমূলক প্ৰস্তাৱ/পৰিকল্পনা কৰিবলৈ এখন কমিটি গঠন কৰিছিল। ইয়াৰ ফলস্বৰূপেই বিপদজনক অঞ্চলত শ্ৰমদান কৰা শিশুসকলৰ বাবে 1947 চনত শিশুশ্ৰমৰ ওপৰত এখন ৰাষ্ট্ৰীয় 'নীতি' গঠিত হয়। 1988 চনৰ পৰা শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে শিশুশ্ৰমিক সকলক পুনঃসংস্থাপন কৰিবলৈ বিশেষকৈ উদ্যোগ সমূহক উদ্দেশ্য কৰি প্ৰায় 100 টা ৰাষ্ট্ৰীয় শিশুশ্ৰম প্ৰকল্প প্ৰচলন কৰে। বহুটো এন.জি. অ. যেনে Care India, Child Relief & you, Global March Against Child Labour, Pratham ইত্যাদি, ভাৰতত শিশুশ্ৰম সম্পূৰ্ণভাবে পৰিহাৰ কৰিবলৈ নানান কাম কৰি আছে। শিশুসকলৰ অধিকাৰ বিভিন্ন কাৰণত উলংঘন হব পাৰে । সেই কাৰণ সমূহ হ'ল দাৰিদ্ৰতা, ভেদভাব আৰু অজ্ঞতা, তেওঁলোকক সিহঁতৰ ভোক গুচাবলৈ ভিক্ষা কৰিবলৈ বাধ্য কৰোৱা হয়। তেওঁলোকক বোধহয় মাৰপিট কৰা হয় আৰু ভোকত ৰখা হয়। গধুৰ বোজা কঢ়িয়াবলৈ আৰু বহুদেৰিলৈকে কাম কৰিবলৈ বাধ্য কৰাব পাৰে। বেছিভাগ শিশুৱে হয়তো সঠিক ভাবে সকলো যত্ন আৰু প্ৰতিপালনৰ পৰা বঞ্চিত। এই সকলো পৰিস্থিতিতে শিশুসকলৰ অধিকাৰৰ উলংঘন কৰা হৈছে। বিদ্যালয়, স্থানীয় সমাজখন আৰু চৰকাৰে এই সমস্যাটোৰ কিবা এটা সমাধান কৰিব নোৱাৰেনে? আপুনি যদি আপোনালোকৰ অঞ্চলত এনেকুৱা শিশু অধিকাৰ উলংঘন হোৱা ঘটনা দেখিছে তেন্তে যিকোনো এটা এনে ঘটনাৰ তথ্য সংগ্ৰহ কৰকছোন।

tives (purpose)

শিশুসকলক তেওঁলোকৰ অধিকাৰ সমূহৰ পৰা বঞ্চিত হোৱাৰ পৰা সুৰক্ষা দিবলৈ বহুটো আইন আছে। আপোনালোকৰ ৰাজ্যচৰকাৰৰ বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ এনে আইন সমূহ চিনাক্ত কৰকছোন যিয়ে শিশুসকলক শিশুশ্ৰমৰ পৰা সুৰক্ষা প্ৰদান কৰে।

শিশুৰ অধিকাৰ সমূহ পৰিয়ালত, বিদ্যালয়ত, সমাজত আৰু নানান ঠাইত বিভিন্ন ধৰণেৰে উলংঘন হৈ আছে।

পৰৱৰ্তী অনুচ্ছেদটোত কি দৰে বিদ্যালয়ত এই অধিকাৰ সমূহ খৰ্ব হয় আহঁকচোন শিকোঁ।

টোকা

**নিজক পৰীক্ষা কৰক ঃ 5**

প্ৰশ্ন 1. ওপৰৰ ছবিখনত শিশুৰ কোনটো অধিকাৰ উলংঘন হৈছে?



2. তলত শিশুৰ বিষয়ে কিছুমান উক্তি দিয়া হৈছে। তাৰ কোনবোৰে শিশুৰ অধিকাৰ উলংঘনৰ কথা বুজাইছে, চিহ্নিত কৰক।

ক) ৰাধাক বিদ্যালয়লৈ পঠিওৱা হ'ল।

খ) ইশানক গেৰেজলৈ কাম কৰিবলৈ পঠিওৱা হ'ল।

গ) ইছমাইল আৰু কেটিয়ে আজৰি সময়ত গছ বগাই।

ঘ) কেথেৰিণে জ্বৰত ভুগি আছে আৰু মাক-দেউতাকৰ তাইক ডাক্টৰৰ ওচৰলৈ নিবলৈ সামৰ্থ নাই।

ঙ) জচ্‌প্ৰিটক বাসী খাদ্য খাবলৈ দিয়া হয়।

চ) ডোগ্নাই তাৰ নামটো সলাব বিছাৰিছে।

ছ) ৰেণুৰ মাক-দেউতাকৰ এৰা-এৰি হ'ল। তাই তাইৰ মাকৰ লগত থাকিব খোজে কিন্তু দেউতাকে তাইক লৈ আহে।

3. IPEC ৰ সম্পূৰ্ণ নাম কি?

4. বিপদজনক পেচাত লিপ্ত হৈ থকা আমাৰ দেশৰ শিশুসকলৰ পুনঃ সংস্থাপনৰ বাবে আমাৰ দেশত ৰাষ্ট্ৰীয় পৰ্যায়ত কি নীতি অৱলম্বন কৰা হৈছিল?

## 13.3.2 বিদ্যালয় প্ৰাংগণত শিশুৰ অধিকাৰ উলংঘন হোৱা ঃ

ইতিমধ্যে আপোনালোকে জানে যে কেনেদৰে আৰু কাৰ দ্বাৰা শিশুৰ অধিকাৰ সমূহৰ উলংঘন হয়। আপোনালোকে বিশ্বাস কৰেনে যে শিশুৰ অধিকাৰ সমূহ বিদ্যালয়টো উলংঘন হয়? এনেকুৱা বহু উদাহৰণ দেখা পোৱা যায়। আমি বিদ্যালয়ত শিশুৰ অধিকাৰ কি দৰে খৰ্ব হয় শিকোঁ আহক।

আমি সকলোৱে জানোঁ যে শিশুসকল বিদ্যালয়ৰ বহু গুৰুত্বপূৰ্ণ উপাদান আৰু তেওঁলোক বিভিন্ন আৰ্থ সামাজিক আৰু সাংস্কৃতিক পটভূমিৰ পৰা আহে। বিদ্যালয় এখন লঘু /ক্ষুদ্ৰ সমাজ(miniature society) আৰু তাত সকলো ধৰণৰ অনৈক্যতা আছে। তৎস্বত্বেও একোটা শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে একেবোৰ কৰ্মই কৰিব লগা হয়, একেবোৰ নীতি অনুসৰণ কৰে আৰু উচ্চমানৰ সফলতা প্ৰদৰ্শন কৰে। তেওঁলোকে যদিহে বিদ্যালয়খনে আশা কৰামতে



টোকা

পৰাৰ্দশিতা দেখুওৱাত বিফল হয়, তেন্তে তেওঁলোক বহু সময়ত শাস্তি দিয়াও হয়। বিদ্যালয়ত শাৰীৰিক শাস্তিবোৰৰ ভিতৰত থিয় হৈ থকাৰপৰা মানসিক অত্যাচাৰ কৰালৈকে বেলেগ বেলেগ শাস্তি আছে। সংবাদ মাধ্যমসমূহৰ পৰা আমি জানো যে কিদৰে শিশুসকলক শাস্তি দিয়া হয় আৰু তেওঁলোকৰ অধিকাৰ সমূহ উলংঘন কৰা হয়।

শিশু সকলক শিক্ষকে দাস্তাৰেৰে, স্কেলেৰে আৰু শ্ৰেণীকোঠাত যি হাতত পাই সেই বস্তুৰে আঘাট কৰে। এনে উদাহৰণো আছে য'ত শিশু সকলক ৰ'দত থিয় হৈ থাকিবলৈ/দৌৰিবলৈ/আঁঠুকাঢ়ি থাকিবলৈ দিয়া হয়। এনেকুৱা কথাত দোষাৰোপ কৰা হয় যি বিলাকৰ কোনো শৈক্ষিক মূল্য নাই। শিশুসকলক তেওঁলোকৰ আজৰি সময়ত পানী খোৱা আনকি চুটিতো পঢ়িবলৈ দিয়া হয়। তেওঁলোকক আনৰ আগত মানসিক ভাবেও অত্যাচাৰ কৰা হয়। যদিও শিশুসকলে গুণগত মানৰ শিক্ষা লাভৰ অধিকাৰ আছে তথাপিও এনে কিছুমান বিদ্যালয় আছে য'ত তেওঁলোক পঢ়াবলৈ পৰ্যাপ্ত পৰিমাণে শিক্ষিত শিক্ষক নাই। প্ৰস্ৰাবাগাৰ সমূহো যথেষ্ট দুখ লগা অৱস্থা আৰু খোৱা পানীৰ সুবিধাও পৰ্যাপ্ত পৰিমাণৰ নহয়। অধিকাংশ প্ৰাথমিক বিদ্যালয়ৰ শিশুৰে ঠাণ্ডাদিন বা বাৰিষাই হওঁক মাটিত বহিয়েই শিক্ষা গ্ৰহণ কৰে। বহুটো শিশুৰ বাবে তেওঁলোকক যিটো ভাষাত পাঠদান কৰা হয় সেইটো তেওঁলোকে অনুধাৱন কৰিব নোৱাৰে।

বিদ্যালয়খন আনন্দময় স্থান হোৱাৰ পৰিবৰ্তে প্ৰায়ে শাস্তি আৰু যন্ত্ৰণাৰ ঠাই হিচাপে দেখা দেখা যায়। ছাত্ৰ-ছাত্ৰীৰ নিৰাপত্তাৰ ইয়াত কোনো নিশ্চয়তা নাই। এই বাস্তৱ সত্যটো আপুনি মানি লয় নে? বিদ্যালয়ত এনেধৰণৰ শিশুৰ অধিকাৰ উলংঘন হয়নে?

বিদ্যালয়ত শিশুৰ অধিকাৰ কেনেধৰণে উলংঘন হয়? যিকোনো তিনিটা লিখক ঃ

1. ..........................................................................................

2. ..........................................................................................

3. ..........................................................................................

এইবোৰ শিশুক বিদ্যালয় ভাল পাবলৈ শিকায়নে? তেওঁলোকে বিদ্যালয়লৈ আহিব বিচাৰে নে আঁতৰি থাকিব বিচাৰে? ছাত্ৰ-ছাত্ৰীসকলে দিনৰ শেহৰ ঘণ্টাৰ বেল বজা শুনি কিয় আনন্দ পায়? শিশু ছুটীত থাকিলে কিয় ভাল পায়? বন্ধৰ কাৰণে কিয় আগ্ৰহৰে ৰৈ থাকে?

আমি সকলোৰে জানোঁ যে বিদ্যালয়ত শিশুসকলক কোনো ধৰণৰ শাস্তি দিব নোৱাৰে। শিশুৰ অধিকাৰ ৰক্ষাৰ বাবে বহু আয়োগ আৰু নীতি নিয়ম আছে। পৰৱৰ্তী উপ-অনুচ্ছেদত এইসমূহৰ বিষয়ে অধ্যয়ন কৰোঁ আহক।

**নিজক পৰীক্ষা কৰক ঃ 6**

1. বিদ্যালয়সমূহত নিয়মিতভাবে তলত দিয়া অৱস্থাসমূহ থাকে। ইয়াৰ ভিতৰত কোনবিলাকত শিশুসকলৰ অধিকাৰ উলংঘন হৈছে? চিহ্নিত কৰক।

ক) সকলো শিশুৰে শ্ৰেণীকোঠাতো ঝাডু মাৰিছে।



টোকা

খ) কিছুমানে শিক্ষকসকলৰ ভাত খোৱা টেবুল পৰিষ্কাৰ কৰিব লাগে।

গ) সপ্তম শ্ৰেণীৰ শিশুসকলে প্ৰাথমিক শাখাৰ শিশুসকলক মধ্যাহ্ন ভোজনৰ সময়ত পানীৰ যোগান ধৰে।

ঘ) দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক শাখাৰ শিশু সকলৰ খোৱা থালসমূহ ধোৱাত সহায় কৰে।

ঙ) যি সকল ছাত্ৰ-ছাত্ৰী বিদ্যালয়ৰ প্ৰাতঃ সভালৈ দেৰিকৈ আহে, তেওঁলোকক বিদ্যালয়ৰ চৌপাশে 10বাৰ দৌৰিবলৈ দিয়া হয়।

চ) শিশুসকলে তেওঁলোকৰ উদ্দেশ্যে দিয়া কোনো খেলাৰ সামগ্ৰী নোপোৱাকৈয়ে খেলি থাকে।

ছ) শিশুসকলে গছপুলি ৰুবলৈ বিদ্যালয়ত মাটি খান্দে।

জ) ফাটিমাক বোৰ্খা পিন্ধিবলৈ অনুমতি দিয়া নহয়।

## 13.3.3. শিক্ষাৰ অধিকাৰ সমূহৰ সুৰক্ষা দিয়া কমিছন (আয়োগ)আৰু আইনী সুবিধা সমূহঃ

আমাৰ দেশত শিশু সকলৰ অধিকাৰ সমূহত ৰক্ষণাবেক্ষণ দিবলৈ নানান এন.জি.অ.কে ধৰি বিভিন্ন এজেন্সীও আছে। ভাৰতবৰ্ষ এখন সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে কেন্দ্ৰত 2007 চনৰ 5 মাৰ্চত শিশু অধিকাৰ সমূহৰ সুৰক্ষাৰ বাবে এখন ৰাষ্ট্ৰীয় আয়োগ (NCPCR) আৰু ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক আয়োগ (SCPCR) গঠন কৰা হয়। ভাৰতৰ সংবিধানত আমাৰ শিশুসকলৰ বাবে কিছুমান অধিকাৰ নিৰ্দ্ধাৰণ কৰা আছে। অধিকাৰসমূহ নিৰীক্ষন কৰিবলৈ বিভিন্ন আয়োগ প্ৰতিষ্ঠিত হৈছিল। এই আয়োগ সমূহত আইনৰ চকুত যে সকলো শিশু সমান, স্বাধীন আৰু 6 বছৰৰ পৰা 14 বছৰলৈ সকলো শিশুৰ বাবে শিক্ষা বাধ্যতামূলক কৰা, শিশু সৰবৰাহ আৰু বলপূৰ্বক শিশুশ্ৰম বন্ধ কৰা, এই সমূহ বিষয় অন্তৰ্ভূক্ত। আয়োগখনে নীতি নিৰ্দেশনাৱলী প্ৰকাশিত কৰে আৰু শাৰীৰিক শাস্তি বন্ধ কৰাটো বিচাৰ কৰে।(SCPCR) য়েও (NCPCR)ৰ দৰে কাম কৰে। আপোনাৰ ৰাজ্যত (SCPCR) আছেনে ? ইয়াৰ সাফল্যতাখিনি বিচাৰি উলিয়াওক আৰু এটা প্ৰসিদ্ধ এন.জি.অ. আছে যাৰ নাম হৈছে ‘ শিশুৰ অধিকাৰ আৰু তুমি’ (CRY)। ই (UNCRC) য়ে দিয়া 4 টা মৌলিক অধিকাৰৰ সংজ্ঞাৰ ওপৰত গুৰুত্ব দিয়ে। সেইকেইটা হ’ল জীৱনটো উপভোগ কৰা সকলো দিশৰ উন্নতি, নিৰাপত্তা আৰু শিশুৰ অংশ গ্ৰহণ। আপোনাৰ ৰাজ্যত বা প্ৰতিবেশী ৰাজ্যত এনে কোনো এন.জি.অ. আছেনে যিয়ে শিশুৰ নিৰাপত্তাৰ বাবে কাম কৰে? এনে এজেন্সীৰ দ্বাৰা ‘শিশুৰ অধিকাৰ আৰু নিৰাপত্তাৰ উদাহৰণৰ ওপৰত তথ্য সংগ্ৰহ কৰকচোন।

শিশুৰ অধিকাৰ সমূহ প্ৰদান কৰাত কেতিয়াও অৱজ্ঞা কৰিব নালাগে। এনে কৰিলে শিশু সকলৰ উদ্ধাৰৰ বাবে আগবাঢ়ি আহিবলৈ নানান আইনী প্ৰক্ৰিয়া আছে। শিশুশ্ৰম বিৰুদ্ধে বহুতো আইনী ব্যৱস্থা আছে। শিশুশ্ৰম পৰিহাৰ কৰাবলৈ কিছুমান বিশেষ আইনী ব্যৱস্থা গঠিত হৈছে (judiciary)। RTE এক্টখনে শিশুৰ অধিকাৰ সমূহক নিৰাপত্তা দিয়ে। এইদৰে

টোকা

শিশুক মানসিক অত্যাচাৰ বা শাৰীৰিক শাস্তি দিব নালাগে। প্ৰত্যেক শিশুৱে অন্য মানুহৰদ্বাৰা তেওঁলোকৰ বিৰুদ্ধে বিদ্ৰোহী হোৱা বা তোষামোদ হোৱাতো অমানৱীয়। সেয়ে বিদ্যালয়সমূহে বুজা উচিত যে কোনেও শিশুক কোনো ধৰণৰ শাস্তি দিব নাপায়। বিদ্যালয়সমূহেও নিম্নতম সা-সুবিধাখিনি, বিশেষ প্ৰশিক্ষণ আৰু গুণগত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

কিছুমান ৰাজ্যত শিশুৰ অধিকাৰ কোষ (CRC) আছে। যদি শিশুৰ অধিকাৰ উলংঘন হয় তেন্তে কোনো মানুহে কেৱল এটা টেলিফোন বাৰ্তাৰে অভিযোগ পঞ্জীয়ন কৰিব পাৰে।

**নিজক পৰীক্ষা কৰক - 7**

1. ভাৰতৰ সংবিধানৰ অনুমোদন প্ৰাপ্ত এটা শিশুৰ অধিকাৰ আছে ........... প্ৰতিৰোধ কৰা।

2. 2007 চনত ভাৰত চৰকাৰে শিশুৰ অধিকাৰ সমূহৰ সুৰক্ষা দিবলৈ................ স্থাপন কৰিছিল।

3. SCPCR ৰ সম্পূৰ্ণ নাম হৈছে.............................।

4. তলৰ কোনটো অধিকাৰ UNCRC ত উল্লেখিত আছে ? চিহ্নিত কৰক....

(ক) পৃথিৱীত জীয়াই থকা (বা উত্তৰজীৱিতা) (survival)

(খ) শিক্ষা (education)

(গ) নিৰাপত্তা (protection)

(ঘ) বিদেশ ভ্ৰমন (foreign tour)

5. কোনো বিদ্যালয়ে শিশুসকলক শাৰীৰিক শাস্তি বা ............ কৰিব নোৱাৰে।

## 13.3.4 শিশুৰ অধিকাৰ সমূহৰ সুৰক্ষা দিয়াত শিক্ষকৰ ভূমিকা ঃ

ইয়াৰ আগৰ খণ্ডটোত আপোনালোকে দেখিছে যে, কিছুমান নিৰ্দিষ্ট অধিকাৰ বিদ্যালয় প্ৰাংগনৰ ভিতৰত উলংঘন কৰা হয়। এজন শিক্ষক বিদ্যালয়খনৰ এক গুৰুত্বপূৰ্ণ ব্যাক্তি যি শিশুসকলৰ ঘনিষ্ঠটালৈ পোনচাটেই আহে। শিশুসকলে তেওঁলোকৰ বাবে থকা অধিকাৰ সমূহ শিক্ষকৰ জৰিয়তে লাভ কৰে আৰু এইদৰে শিশুৰ উন্নতি হয়। বিদ্যালয়ত শিশুৰ অধিকাৰসমূহ বিভিন্ন উপায়েৰে ৰূপায়ণ কৰাটো সম্ভৱ। তাৰে কিছুমান তলৰ অনুচ্ছেদবোৰত আলোচনা কৰা হ'ল।

### শিশুৰ মৰ্যদাক সন্মান কৰা ঃ

প্ৰতিটো শিশুৱে একোখন বিদ্যালয়ৰ একোটা অবিচ্ছেদ্য অংগ। CRC য়ে কয় যে শিশুসকলৰ আত্মমৰ্যাদাক সন্মান কৰিব লাগে। বিদ্যালয়সমূহে আনুষ্ঠানিক শিক্ষা দিবলৈ আৰু আত্ম শৃংখল অন্তৰ্নিবিষ্ট (শিকাবলৈ অবিৰত প্ৰয়াস) কৰিব লাগে।

এই উদ্দেশ্য সাধন কৰিবলৈ যি সমূহ পদ্ধতি বিদ্যালয়খনে অনুসৰণ কৰে সেইসমূহ



টোকা

(CRC) ৰ লগত অনুৰূপ হ'ব লাগে আৰু শিশুৰ মৰ্যদাহানি হোৱাকৈ হ'ব নালাগে।

আমি শিক্ষকসকলে শাৰীৰিক শাস্তি দিয়া অভ্যাসটো অনুশাসন প্ৰতিষ্ঠা কৰিবলৈ এটা উপায় হিচাপে, লোৱাতকৈ তেওঁলোকৰ নিজৰ অন্তৰত অনুশাসনৰ বীজৰোপণ কৰিবলৈ অনুশীলন কৰাব লাগে । আমি এইটো দেখুৱাব লাগে যে, আমি শিশুসকলক যত্ন লওঁ, যিহেতু বিদ্যালয়ত গঢ় লৈ উঠা সম্বন্ধসমূহ প্ৰতিটো শিশুৰ বাবে গুৰুত্বপূৰ্ণ। শিক্ষকৰ দুটা ব্যৱহাৰ লিখক যিটোৱে বুজাই যে শিক্ষকজনে শিশুটোৰ মৰ্যাদাক সন্মান কৰে।

1............................................................................................................

2...............................................................................................

## ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ বৃদ্ধি কৰক ঃ

CRC য়ে এটা লোকতান্ত্ৰিক/প্ৰজাতন্ত্ৰবাদী বিদ্যালয়ৰ পৰিৱেশ প্ৰতিষ্ঠা কৰিবলৈ হোৱা আৱশ্যকতা খিনিত বেছি গুৰুত্ব দিয়ে। ইয়াত কোৱা হয় যে, শিশুটোৰ নিজৰ মতামত প্ৰকাশ কৰিবলৈ সুবিধা থকা উচিত আৰু তেওঁলোকক প্ৰাপ্য মহত্ব দিব লাগে। শিক্ষকসকলে এক প্ৰজাতান্ত্ৰিক পৰিৱেশলৈ বৰঙণি আগবঢ়াব লাগে আৰু শ্ৰেণী কোঠাৰ নানান পদ্ধতি সমূহত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণক আহ্বান জনাব লাগে। এনে কৰাত মানৱ অধিকাৰ নিশ্চিত কৰা হয়, ছাত্ৰ-ছাত্ৰীয়ে গণতান্ত্ৰিক মূল্যবোধক বুজা হয় আৰু সন্মান কৰা হয়, তাৰোপৰি এটা পাৰম্পৰিক শিকন প্ৰক্ৰিয়াৰ বাবে চৰ্ত সৃষ্টি কৰি তোলা হয়। ছাত্ৰ সংগঠনৰ দৰে গোট সমূহক সকলো বিদ্যালয়ৰ প্ৰক্ৰিয়াতে জড়িত কৰা উচিত যিবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰত্যক্ষভাবে গুৰুত্বপূৰ্ণ সেইসমূহৰ ভিতৰত এটা হ'ল বিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ উৎসৱ অনুষ্ঠিত কৰা। আপোনাৰ বিদ্যালয়ৰ এনে ক্ৰিয়াৰ নাম উল্লেখ কৰক য'ত শিশুসকলক জড়িত কৰিব পাৰি।

1. .........................................................................................................

2. .........................................................................................................

**এনে এক পৰিবশে সৃষ্টি কৰক যিটো ভয় শংকা আৰু উৎকণ্ঠাৰ পৰা মুক্ত ঃ**

বহুতো বিদ্যালয়ত শিশুসকলে কিছুমান শিক্ষকক, কিছুমান বিষয়ক ভয় কৰে, আৰু কিছুমান ক্ৰিয়াকলাপৰপৰা শংকিত হয়। তেওঁলোকৰ পৰীক্ষাৰ সময়ত বহুতো উৎকণ্ঠা থাকে । সকলো বিদ্যালয়ত শিশুসকলৰ মাজত সাফল্যতাৰ পাৰ্থক্য থাকিলেও তেওঁলোকৰ মাজত সাধাৰণতে একেই পৰীক্ষাৰ নমুনা দিয়া হয়। এনে কৰাৰ ফলত মজলীয়া আৰু দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ভয়-শংকাৰ সৃষ্টি হয়, যদিহে তেওঁলোকে ভালদৰে পাঠ প্ৰস্তুত নকৰে। আমি পাৰম্পৰিক পৰীক্ষা আৰু মূল্যাংকনৰ অনুশীলনটোৰ সন্মান জনায় এক শিশুসুলভ বা আনন্দদায়ক পৰিবেশৰ সৃষ্টি কৰাৰ অনুশীলন কৰিব পাৰোঁ।

.............................................................................................................

.............................................................................................................

.............................................................................................................



টোকা



আপোনাৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সকলৰ মাজত অতি বেছিকৈ উৎকন্থা কেতিয়া আহে?

1. .......................................................................................................

2. .......................................................................................................

**লিংগসমতাৰ (Gender Equality) বিষয়তো সাব্যস্ত কৰক ঃ**

লিংগ সমতা সকলো শিশুৰ বাবে এটা অধিকাৰ। বিশেষকৈ যেতিয়া দায়িত্ব সমূহ প্ৰদান কৰা হয়। লিংগ স্থিৰ কাৰ্য (Gender Sterotypes) হ'ল পৰম্পৰাগতভাৱে মানি অহা লিংগভিত্তিক কাম যেনে -ঘৰ ঝাড়ু মৰাটো ছোৱালীৰহে কাম, বেঞ্চ এখন দঙাটো ল'ৰাজনৰহে কাম ইত্যাদি পৰিত্যাগ কৰা উচিত যতেই প্ৰয়োজন হয় তাত যোগাত্মক বিভেদৰ অভ্যাস কৰিব লাগে, যাৰদ্বাৰা সুবিধাৰপৰা বঞ্চিত গোটসমূহে নিৰ্দিষ্ট সুবিধা আৰু বিশেষাধিকাৰ লাভ কৰে। উদাহৰণ স্বৰূপে ছাত্ৰীসকলৰ বাবে বিদ্যালয়সমূহত জিৰণি কোঠা নিৰ্মাণ কৰা। বিদ্যালয়সমূহত ল'ৰা আৰু ছোৱালীৰ বাবে পৃথককৈ টয়লেট নিৰ্মাণ কৰা। ইয়াৰোপৰি আৰু কি কি প্ৰয়োজন আছে বুলি আপুনি ভাবে বাৰু?

.....................................................................................................................

এতিয়ালৈকে আমি শিশু অধিকাৰসমূহ সুৰক্ষা দিবলৈ কি কি পদ্ধতি শিক্ষকসকলে অনুসৰণ কৰিব লাগে সেইবিষয়ে আলোচনা কৰিলো। বেলেগ কি পদ্ধতিৰে এজন শিক্ষকে শিশুৰ অধিকাৰৰ সুৰক্ষা নিশ্চিত কৰিব পাৰে বুলি আপুনি ভাবে? যিকোনো 5 টা লিখক-

1. .......................................................................................................

2. .......................................................................................................

3. .......................................................................................................

4. .......................................................................................................

5. .......................................................................................................

এটি শিশুক এনেদৰে বিদ্যালয়ত শিশুৰ অধিকাৰৰ সুৰক্ষা দিয়াত যান্ত্ৰিক পদ্ধতি হব পাৰে। এই কাৰ্যক শিশুক বিদ্যালয়লৈ যোৱাটোৱে কেৱল আনন্দিত নকৰে বৰঞ্চ শিশুটোৰ সকলো দিশৰ বিকাশতো বৰঙণি যোগায়।

**নিজক পৰীক্ষা কৰক ঃ 8**

1. শিশুৰ অধিকাৰৰ নিৰাপত্তা লাগে কিয়নো ঃ-

   ক) তেওঁলোকৰ অধিকাৰ সমূহৰ প্ৰতি তেওঁলোক সচেতন।

   খ) তেওঁলোকে অধিকাৰসমূহৰ অনুশীলন কৰিব নাজানে।

   গ) তেওঁলোকে জেষ্ঠসকলৰ কথা শুনে

   ঘ) তেওঁলোক অপৰিপক্ক।

2. তলৰ কোনটো শিশুৰ অধিকাৰ তেওঁলোকৰ নিৰাপত্তা সপক্ষে নহয়।



টোকা

ক) ছাত্র ছাত্রীৰ অংশ গ্রহণত উৎসাহ যোগোৱা।

খ) আজৰি সময়ত শিক্ষা দিয়া ।

গ) শিশুক মুকলিভাবে মনৰভাৱ প্রকাশ কৰিবলৈ অনুমতি দিয়া।

ঘ) ব্যক্ত বিশেষে থকা পাৰ্থক্যক সন্মান জনোৱা

3. শিক্ষকসকলৰ তলত দিয়া কোনখিনি অভ্যাসে দেখাই যে তেওঁলোকে শিশুৰ অধিকাৰসমূহক সন্মান কৰে? চিহ্নিত কৰক।

ক) শিক্ষাৰ্থী কেন্দ্ৰীক শিক্ষণ।

খ) নিম্নমানৰ সাফল্যতা প্ৰদৰ্শন কৰা সকলক বিদ্যালয় ত্যাগ কৰিব কোৱাটো।

গ) ভিন ভিন জনৰ প্ৰয়োজন অনুসৰিহে আহাৰ প্ৰদান কৰা।

ঘ) পৰীক্ষাৰ স্থিৰ/ধৰাবন্ধা সময়সূচী।

ঙ) খেলা সামগ্ৰীৰ যোগান ধৰা।

চ) ৰুগীয়া শিশুটোক ডাক্তৰী চিকিৎসা ল'বলৈ নিৰ্দেশ দিয়া।

ছ) বিশেষ ভাৱে সক্ষম ছাত্র-ছাত্রীক বিশেষ বিদ্যালয়লৈ যাবলৈ উপদেশ দিয়া।

## 13.4 সামৰণি/সাৰাংশ ঃ

এই অধ্যায়টোত আপোনালোকে বিভিন্ন প্ৰকাৰৰ অধিকাৰ আৰু শিশুৰ অধিকাৰ বিষয়ে অধ্যয়ন কৰিলে। যিহেতু আপোনালোকে জানে যে অধিকাৰ সমূহ ব্যক্তি এজনৰ মঙ্গলাৰ্থে তথা সমাজএখনৰ বাবে প্ৰয়োজনীয় । আন্তঃ ৰাষ্ট্ৰীয় সংস্থা হিচাপে সংযুক্ত ৰাষ্ট্ৰই পৃথিৱীৰ মানুহক অধিকাৰ সমূহ প্ৰদান কৰিবলৈ বিভিন্ন প্ৰচেষ্টা হাতত লৈছিল। ইয়াৰ মাজত এটা মুখ্য পদক্ষেপ আছিল 1948 চনত মানৱ অধিকাৰ সমূহ আনুষ্ঠানিক ভাবে ঘোষণা কৰা, যিটোৱে নেকি ইয়াৰ হস্তাক্ষৰী ব্যক্তি সকলক দেশৰ মানৱ অধিকাৰ সমূহক সন্মান কৰিবলৈ আৰু সেই সমূহক বাস্তবায়িত কৰাৰ বাবে চৰ্ত প্ৰস্তুত কৰিবলৈ দায়বদ্ধ কৰোৱালে। (UNDHR) ৰে যদিও শিশুৰ অধিকাৰ সন্নিবিষ্ট কৰে পৃথিৱীত আজিৰ তাৰিখত দেখা পোৱা শিশুৰ পুতৌজনক অৱস্থাটোলৈ লক্ষ্য কৰি সংযুক্ত ৰাষ্ট্ৰই শিশুৰ অধিকাৰ সমূহত অধিক মনোনিবেশ কৰাত প্ৰয়োজনবোধ কৰে। সেই বাবে 1989 চনত শিশুৰ অধিকাৰৰ ওপৰত সংযুক্ত ৰাষ্ট্ৰৰ সন্মিলন অনুষ্ঠিত হয় আৰু ইয়াৰে হস্তাক্ষৰী সকলে তেওঁলোকৰ দেশৰ চি.আৰ.চি.ত উল্লেখ থকা শিশুৰ অধিকাৰ সমূহক সন্মান/মৰ্যাদা প্ৰদান কৰাটো বাধ্যতামূলক আছিল। ভাৰতবৰ্ষও সংযুক্ত ৰাষ্ট্ৰৰ ওপৰোক্ত প্ৰচেষ্টাৰ এক হস্তাক্ষৰী দেশ হিচাপে প্ৰত্যেক শিশুক তেওঁৰ শৈশৰ কালটো উপভোগ কৰিব দিবলৈ বাবে আৰু শিশুশ্ৰম পৰিহাৰ কৰিবলৈ প্ৰচেষ্টা কৰি আহিছে। সেই উদ্দেশ্যে নানান কাৰ্যসূচী আৰু নীতি অৱলম্বন কৰা হৈছে। **'বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আইন 2009'**খন ইয়াৰে এক যোগাত্মক প্ৰচেষ্টা। সেয়ে শিক্ষক হিচাবে আপোনালোকে বিদ্যালয়ত এক শিশুৰ অনুকুল পৰিবেশ সৃষ্টি কৰাত সকলো দায়িত্ব লোৱাটো উচিত।


টোকা



## 13.5 অগ্ৰগতিৰ নিৰীক্ষণৰ বাবে উত্তৰমালা ঃ

**নিজক প ৰীক্ষা কৰা ঃ 1**

1. তলত কিছুমান উক্তি দিয়া হৈছে। যিবোৰ উক্তিয়ে অধিকাৰৰ বৈশিষ্ট বুজাইছে সেইসমূহ চিহ্নিত কৰক ঃ

   ক) সিহঁত মানুহৰ দাবীদাৰ।

   খ) মানুহে অধিকাৰ সমূহক নিৰাপত্তাৰ বাবে দাবী দিব পাৰে।

2) কিছুমান অধিকাৰ তলত দিয়া হৈছে। ইয়াৰে মানৱ অধিকাৰ সমূহৰ বিপৰীতে লিখি চিহ্নিত কৰক।

   ক) খাদ্য লাভ কৰা ।

   খ) স্বাস্থ্য উপযোগী খোৱা পানীৰ ব্যৱস্থা।

   গ) এজন মানুহৰ অনূভুতিৰ প্ৰকাশ কৰা।

3) খালী ঠাই পূৰ কৰা

   ক) মানুহ/নাগৰিক

   খ) মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা

   গ) 10 ডিচেম্বৰ

   (ঘ) ৰাজ্যিক মানৱ অধিকাৰ প্ৰতিৰক্ষা কমিছন।

**নিজক পৰীক্ষা কৰক ঃ 2**

শুদ্ধ নে অশুদ্ধ লিখক। যদি শুদ্ধ T আৰু ভুল হ'লে F লিখক।

(ক) এজন শিশু হ'বলৈ উদ্ধতম বয়স 18 বছৰ হ'ব লাগিব। T

(খ) শিশুৰ আনৰ বিষয়ে বেয়াকৈ কোৱাৰ স্বাধীনতা আছে। F

(গ) শিশুৰ অধিকাৰৰ মৰ্য্যদা সদায় দিব নালাগে। F

(ঘ) পৃথিৱীৰ বিভিন্ন অংশত শিশুসকল নিৰাপদ নহয়। T

(ঙ) চৰকাৰ সমূহে শিশুসকলৰ মংগলাৰ্থে কাম কৰিবলৈ বাধ্য। T

**2.** তলত দিয়া শিশুসকলৰ অধিকাৰ চিহ্নিত কৰা ঃ-

(ক) অলপ আজৰি সময় পোৱাটো।

(খ) পৰিয়ালৰ মাজত থকাটো।

(গ) শোষণৰ পৰা নিৰাপদে থকা।

শিক্ষা লাভ কৰা

**নিজক পৰীক্ষা কৰক 3**

নিজৰ পৰীক্ষা কৰা হওঁক।

1. খালী ঠাই পূৰণ কৰা ঃ-



টোকা

ক) মানৱ অধিকাৰ

খ)1990

গ) শিশুৰ অধিকাৰসমূহ কি কি ?

ঘ) (UNESCO) আৰু (UNICEF)

**নিজক পৰীক্ষা কৰক 4**

ক) 1 এপ্রিল 2010

খ) বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা

গ) 6 বছৰৰ পৰা 18 বছৰ

ঘ) শিশুকেন্দ্রিক শিক্ষা।

**নিজক পৰীক্ষা কৰক 5**

ক) শিশুশ্রমৰ বিৰুদ্ধে অধিকাৰ।

খ) কেথেৰিণ জ্বৰত ভুগি আছে আৰু পিতৃ-মাতৃয়ে তাইক চিকিৎসকৰ ওচৰলৈ নিবলৈ সামৰ্থ নাই।

গ) জচপ্রিটক বাসী খাদ্য দিয়া হয়।

ঘ) ৰেণুৰ মাক দেউতাকৰ এৰা এৰি হ'ল। তাই মাকৰ লগত থাকিব বিচাৰে কিন্তু দেউতাকে তাইক লৈ যায়।

3. শিশুশ্রম পৰিহাৰ কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় কাৰ্যসূচী

4. 1987 চনত শিশু অধিকাৰৰ এখন ৰাষ্ট্ৰীয় নীতিৰ প্ৰতিষ্ঠা কৰা হৈছিল।

**নিজক পৰীক্ষা কৰক 6**

1. বিদ্যালয় সমূহত নিয়মীয়াকৈ নিম্নোক্ত ব্যৱস্থাসমূহ থাকেই।তাৰে তলৰ কোনবিলাক বিদ্যালয়ত হোৱা শিশুৰ অধিকাৰ উলংঘন কৰা ঘটনাৰ কথা সূচায় চিহ্নিত কৰা।

ক) কিছুমান ছাত্ৰই শিক্ষকৰ ভাত খোৱা টেবুল পৰিষ্কাৰ কৰিব লাগে।

খ) যি সকল ছাত্ৰ বিদ্যালয়কৈ দেৰি কৈ আহে দহবাৰ চাৰিওফালে দৌৰিব লাগে

গ) ছাত্ৰ-ছাত্ৰীক কোনো খেলাৰ সামগ্ৰী নোহোৱাকৈ খেলিব দিয়ে।

ঘ) ফাটিমাক বোৰ্খা পিন্ধিবলৈ দিয়া নহয়।

**নিজক পৰীক্ষা কৰক 7**

1. শিশুশ্রম

2. শিশুক অধিকাৰৰ সুৰক্ষা দিবলৈ ৰাষ্ট্ৰীয় কমিছন।

3. শিশুশ্রমৰ সুৰক্ষাৰ ৰাজ্যিক কমিছন।

4. তলৰ কোনোবোৰ অধিকাৰৰ (UNCRC) ত উল্লেখ কৰা আছে চিহ্নিত কৰা -

উদ্ধাৰ পোৱা, সুৰক্ষা, উচ্চ শিক্ষা, বিদেশ ভ্ৰমণ।



টোকা



**নিজক পৰীক্ষা কৰক 8**

ক) শিক্ষাৰ্থী কেন্দ্ৰিক প্ৰচেষ্টা প্ৰতিটো ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ প্ৰয়োজন অনুসৰি খাদ্য যোগান ধৰা

গ) খেলা সামগ্ৰী যোগান ধৰা

ঘ) ৰুগীয়া শিশুক ডাক্টৰী চিকিৎসা ল'বলৈ নিৰ্দেশ দিয়া।

## 13.6 পাঠন আৰু প্ৰসংগৰ বাবে পৰামৰ্শাৱলী

DevArjun, Dev Indira and Das Supta (1996). Human Rights- A Source Book.

New Delhi. NCERT

NPE (1986). National Policy on Education. New Delhi. MHRD.

Rao, Digumarti Bhaskara (2011). Right to Education. Hyderabad. Neelkamal Publications Pvt. Ltd.

Gazette (2009) The Gazette of India. New Delhi. Authority. 27th August.

## 13.7 গোটৰ শেষ অনুশীলনী

1. আমাৰ বাবে মানৱ অধিকাৰ কিয় গুৰুত্বপূৰ্ণ?
2. আপোনালোকৰ বিদ্যালয়ত মানৱাধিকাৰ দিৱস কিদৰে অনুষ্ঠিত কৰিব?
3. বিদ্যালয়ত শিক্ষা অধিকাৰ ভংগ হোৱা যিকোনো ঘটনা এটাৰ উদাহৰণ লোৱক। আপুনি শিশুটোৰ অধিকাৰ কিদৰে সুৰক্ষিত কৰিব পাৰিলেহেঁতেন ব্যাখ্যা কৰক।
4. কেইটামান শিশুক লগ কৰক আৰু তেওঁলোকে বিদ্যালয়লৈ নোযোৱাৰ কাৰণ সমূহ বিচাৰি উলিয়াবলৈ চেষ্টা কৰা।
5. পৃথিৱীৰ সকলো শিশুকে তেওঁলোকৰ ন্যায্য অধিকাসমূহ প্ৰদান কৰাত এতিয়ালৈকে কি কি প্ৰচেষ্টা লৈছে?
6. বিদ্যালয়ত শিশুসকলক প্ৰদান কৰিব লগা দুটা অধিকাৰৰ বিষয়ে লিখক।

   আপুনি কিদৰে শিশুসকলক এই অধিকাৰসমূহ উপভোগ কৰাবলৈ এটা পৰিৱেশ সৃষ্টি কৰিব?
7. ইচ্ছাকৃতভাৱে বিদ্যালয়লৈ যাবলৈ শিশুসকলৰ মনটো আনন্দিত কৰাত শিক্ষকৰ কি ভূমিকা আছে আলোচনা কৰক।
8. সহ বিদ্যায়তনিক শিক্ষাৰ বিদ্যালয়ত লৰা আৰু ছোৱালীক সমানে সন্মান জনাবলৈ হাতত লোৱা এটা কাৰ্যসূচীৰ বিষয়ে লিখক।
9. 'আৰ.টি.ই আইন 2009' খনে শিশুৰ অধিকাৰৰ সুৰক্ষাৰ বিষয়ে কি কয়।
10. প্ৰত্যেক ৰাজ্যতে শিশুৰ অধিকাৰৰ ওপৰত এখন ৰাজ্যিক আয়োগ গঠন কৰাটো কিয় প্ৰয়োজনীয়?